অসম বিধান সভা

উত্তৰ দানৰ তাৰিখ – ১৪/০৭/২০২৬

**তৰা বিহীন প্ৰশ্ন নং : ৩০৮**

বিষয় : পানী যোগান আঁচনি

বিধায়িকা : শ্ৰীমতী দীপ্তিময়ী চৌধুৰী :

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

(ক) ৰাজ্যত বৰ্তমান কিমান পানী যোগান আঁচনি আছে? ইয়াৰে কিমান কাৰ্য্যক্ষম আৰু কিমান অকাৰ্য্যক্ষম ? অকাৰ্য্যক্ষম আঁচনিসমূহ কাৰ্য্যক্ষম কৰাৰ বাবে বিভাগে কিবা ব্যৱস্থা লৈছে নেকি?

(খ) অসমত বৰ্তমান পানীৰ স্তৰ (Ground Water) কেনেকুৱা? শেহতীয়া চাৰ্ভেৰ ভিত্তিত সবিশেষ তথ্য দাখিল কৰিব । অসমত বছৰি কিমান পানী Ground ৰ পৰা আহৰণ কৰা হয়?

(গ) বৰ্তমান অসমৰ কোন কোন অঞ্চলত পানীত আৰ্চেনিক বা ফ্ল'ৰাইড আছে? এই অঞ্চলসমূহত বিশুদ্ধ খোৱা পানীৰ বাবে বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত কৃষ্ণেন্দু পাল মহোদয়ে উত্তৰ দিব।**

ক) জল জীৱন মিছনৰ অধীনত মুঠ ২৭৫৩০ খন আঁচনি আছে। ইয়াৰে ভিতৰত ১৫৪০০ খন আঁচনি কাৰ্য্যক্ষম হৈ আছে, ২৭৪ খন আঁচনি তিনিমাহৰ প্ৰাক পৰীক্ষা ব্যৱস্থা (Trial Run) ৰ অধীনত আছে আৰু ৪১৮৫ খন আঁচনি বিকল হৈ আছে।৭৫২৩ খন আঁচনি নিৰ্মীয়মান অৱস্থাত আছে আৰু ১৪৮ খন আঁচনিৰ কাম আৰম্ভ হোৱা নাই। বিকল হৈ থকা আঁচনি সমূহৰ ভিতৰত, ২৮৩৩ খন সাধাৰণ এলেকা আৰু ১৩৫২ খন ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলত আছে।

বিকল আঁচনিসমূহ পুনৰ সক্ৰিয় কৰিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ১৫তম বিত্ত আয়োগৰ (15th FC - Tied Grant) পুঁজি ব্যৱহাৰৰ বাবে কেবিনেটে অনুমোদন জনাইছে (vide notification no. PDA 193/2021/7 dtd 09/02/2022)।সেই অনুসৰি, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ বাবে থকা আৰ্থিক সীমা (Slab) অনুসৰি পুঁজি দি মেৰামতিৰ কাম নিয়মীয়াকৈ কৰা হৈছে (vide O & M SOP E-742017/I/1425840/2026 dtd 06/02/2026)।

০৯.০৮.২০২৪ তাৰিখৰ পিছত পথ নিৰ্মাণ বা 'ইউটিলিটি শ্বিফটিং' (Utility Shifting)-ৰ বাবে ক্ষতিগ্ৰস্ত হোৱা পানী যোগান আঁচনিসমূহৰ স্থানান্তৰ আৰু পুনঃস্থাপনৰ সকলো খৰচ তথা মেৰামতিৰ দায়িত্ব সংশ্লিষ্ট পথ নিৰ্মাণ বিভাগ (PWD)-এ ইতিমধ্যে বহন কৰিছে (vide notification no. 635091/45 dtd 07/02/2026)।

খ) কেন্দ্ৰীয় ভূ-জল ব'ৰ্ডে (Central Ground Water Board) শেহতীয়া অৰ্থাৎ ২০২৫ চনত অসমৰ বাবে প্ৰকাশ কৰা ভূগৰ্ভস্থ পানী সম্পদৰ মুল্যায়ন প্ৰতিবেদনৰ (Dynamic Ground Water Resources of Assam, 2025) তথ্য মতে অসমৰ কামৰূপ (মেট্ৰ') জিলাৰ গুৱাহাটীৰ ভূগৰ্ভস্থ জলভাণ্ডাৰ স্থিতি অৰ্ধ সংকটজনক (semi critical) বুলি চিহ্নিত কৰা লগতে বাকী জিলা সমূহৰ ভূগৰ্ভস্থ জলভাণ্ডাৰ বৰ্তমান সময়ত সুৰক্ষিত (safe) বুলি ঘোষনা কৰিছে।

কেন্দ্ৰীয় ভূ-জল ব'ৰ্ডে ২০২৫ চনত অসমৰ বাবে প্ৰকাশ কৰা ভূগৰ্ভস্থ পানী সম্পদৰ মুল্যায়ন প্ৰতিবেদনৰ (Dynamic Ground Water Resources of Assam, 2025) তথ্যমতে অসমে বছৰি ২.৯৩ বিলিয়ন কিউবিক মিটাৰ (bcm) পানী ভূ-গৰ্ভৰ পৰা আহৰণ কৰে।

(গ) বৰ্তমান অসমৰ সৰ্বমুঠ ৮৮৪১৯ টা Habitation ৰ ভিতৰত ৪৫৮৬ টা আৰ্ছেনিক আৰু ৩০৬ টা Habitation ত ফ্লৰাইড পোৱা গৈছে। বিতং তথ্যসমুহ (Annexure-A ) ত গাঠিঁ দিয়া হৈছে।এই অঞ্চলসমূহত বিভাগে হ্ৰস্বম্যাদী ব্যৱস্থা হিচাপে আৰ্ছেনিক আৰু ফ্ল'ৰাইড নিৰ্গমন ফিল্টাৰ সংযোগৰ ব্যৱস্থা কৰা হৈছে আৰু দীৰ্ঘকালীন ব্যৱস্থা হিচাপে পানীৰ উৎস ভূ-গৰ্ভস্থৰ(Groundwater) পৰা পৃষ্ঠীয় (Surface Water) উৎস লৈ পৰ্যায়ক্ৰমে সলনি কৰা ব্যৱস্থা গ্ৰহণ কৰিছে। (NeVA portal ত upload কৰা হৈছে )

Annexure - A.

(6

**Jal Jeevan Mission**

Water Quality Management Information System

Department of Drinking Water & Sanitation, Ministry of Jal Shakti (GOI)

**Format L3. Quality affected habitation reported since 01/04/2016**

**State:** Assam, **District:** All, **Block:** All, **Gram panchayat:** All, **Village:** All

| S. No. | District name | Total No. of habitations marked as quality affected on or after 01/04/2016 | No. of households | No. of tap connections (07/07/2026) | No. of habitations marked as quality affected for Arsenic and Fluoride after 01/04/2016 | |
|---|---|---|---|---|---|---|
| | | | | | Arsenic | Fluoride |
| 1 | Bajali | 361 | 31642 | 28355 | 160 | 1 |
| 2 | BAKSA | 1602 | 121254 | 96595 | 1454 | 0 |
| 3 | Barpeta | 525 | 68946 | 56838 | 343 | 0 |
| 4 | Biswanath | 2175 | 144800 | 107785 | 8 | 0 |
| 5 | Bongaigaon | 186 | 15195 | 12468 | 7 | 0 |
| 6 | Cachar | 5 | 701 | 432 | 5 | 0 |
| 7 | Charaideo | 886 | 59837 | 45016 | 0 | 0 |
| 8 | Chirang | 123 | 7662 | 5181 | 0 | 0 |
| 9 | Darrang | 2157 | 199394 | 162655 | 233 | 0 |
| 10 | Dhemaji | 1155 | 109677 | 86311 | 73 | 0 |
| 11 | Dhubri | 799 | 86205 | 69251 | 111 | 92 |
| 12 | Dibrugarh | 1208 | 65037 | 46482 | 0 | 0 |
| 13 | Dima Hasao | 0 | 0 | 0 | 0 | 0 |
| 14 | Goalpara | 110 | 9394 | 7786 | 4 | 0 |
| 15 | Golaghat | 2465 | 174154 | 143618 | 121 | 0 |
| 16 | Hailakandi | 21 | 3771 | 3233 | 0 | 0 |
| 17 | Hojai | 808 | 86934 | 67803 | 0 | 1 |
| 18 | Jorhat | 985 | 80409 | 52247 | 605 | 0 |
| 19 | Kamrup | 224 | 21828 | 16983 | 2 | 11 |
| 20 | Kamrup Metro | 2 | 233 | 233 | 0 | 0 |
| 21 | Karbi Anglong | 48 | 3379 | 1301 | 0 | 6 |
| 22 | Karimganj | 15 | 2433 | 2370 | 0 | 15 |
| 23 | Kokrajhar | 673 | 42360 | 35178 | 10 | 0 |
| 24 | Lakhimpur | 877 | 89012 | 76040 | 1 | 0 |
| 25 | Majuli | 433 | 33474 | 31634 | 327 | 0 |
| 26 | Marigaon | 745 | 89998 | 55737 | 2 | 0 |
| 27 | Nagaon | 1132 | 147582 | 107269 | 2 | 1 |
| 28 | Nalbari | 1185 | 94258 | 77023 | 984 | 26 |
| 29 | Sivasagar | 1367 | 87221 | 77015 | 8 | 0 |
| 30 | Sonitpur | 909 | 122903 | 99204 | 0 | 0 |
| 31 | South Salmara Mancachar | 141 | 24390 | 21900 | 126 | 0 |
| 32 | Tamulpur | 225 | 17744 | 14909 | 0 | 0 |
| 33 | Tinsukia | 1105 | 104956 | 81752 | 0 | 0 |
| 34 | Udalguri | 1399 | 109620 | 80817 | 0 | 153 |
| 35 | West Karbi Anglong | 19 | 835 | 258 | 0 | 0 |
| **Total** | | **26070** | **2257238** | **1771679** | **4586** | **306** |

*Source: https://ejalshakti.gov.in*

Report Printed On 7/8/2026 3:40:06 PM

Chief Engineer (PHE)
Assam, Guwahati-36